# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :10-**12-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যজুৰি আজি ছহিদ দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ পূণ্যস্মৃতিত ৰাজ্য চৰকাৰে নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যান উদ্বোধন কৰে। তেওঁ লগতে স্মাৰক ক্ষেত্ৰত থকা **শ্বহীদ প্ৰণাম জ্যোতিত** অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদান দিয়া মহান শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পাছত তেওঁ ছহিদ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ছহিদ প্ৰণামো তোমাক শীৰ্ষক গীত পৰিবেশনেৰে অমৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱা এই সভাখন ৰাজ্যৰ সকলো জিলা আৰু সমজিলাসমূহত আয়োজিত ছহিদ দিৱসৰ কাৰ্যসূচীত পোনপতীয়াকৈ সম্প্ৰচাৰ কৰা হয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ জাতীয় জীৱনৰ এটা জটিল সন্ধিক্ষণত বিদেশী বিতাড়নক কেন্দ্ৰ কৰি ঐতিহাসিক অসম আন্দোলনৰ সূত্ৰপাত হৈছিল। এই আন্দোলনে দীৰ্ঘকাল জুৰি ৰাজ্যৰ ইতিহাসত এটা নিৰ্নায়ক স্থান দখল কৰি আহিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই এই পবিত্ৰ দিনটোত প্ৰতিগৰাকী অসমীয়াক জাতিটোক জীয়াই ৰখাৰ বাবে সামুহিক সংকল্প লবলৈ আহ্বান জনায়। এইবাৰৰ ছহিদ দিৱসে বিশেষ তাৎপৰ্য বহন কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসমীয়া জাতি জীয়াই থকাৰ নতুন সংগ্ৰামত লিপ্ত হৈছে। মুখ্যমন্ত্ৰীয়ে নিজৰ জাতি, মাটি আৰু ভেটি ৰক্ষাৰ বাবে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোকক সজাগ সচেতন হবলৈ আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শীৰ্ষ বিষয়াৰ সৈতে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত আলোচনাত মিলিত হয়। ড° শৰ্মাই লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপত অংশ ল'বলগীয়া জনসভাৰ স্থলী পৰিদৰ্শন কৰি সবিশেষ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে সেইদিনা নামৰূপত ১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ **এমোনিয়া ইউৰীয়া প্ৰকল্প**ৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই ৰাজ্যখনৰ ঔদ্যোগিক আৰু সামাজিক ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপৰ সূচনা কৰি সাৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰে অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই এই সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয়ঃ

বাইট

ড° শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰিব। এই আঁচনিৰ দ্বাৰা ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী বিধায়ক উপস্থিত থাকিব।

০০০০০০

আন্তৰাষ্ট্ৰীয় সংগীত শিল্পী পষ্ট মেলনৰ সংগীতানুষ্ঠানত হাৰাশাস্তিৰ সন্মুখীন হোৱা বুলি এগৰাকী বিদেশী যুৱতীয়ে সামাজিক মাধ্যমত কৰা মন্তব্য সন্দৰ্ভত আজি যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে খানাপাৰাৰ কাৰ্যালয়ত এখন সংবাদমেল আয়োজন কৰে। যুটীয়া আয়ুক্তগৰাকীয়ে কয় যে সামাজিক মাধ্যমত এনে অভিযোগ কৰা মহিলাগৰাকীয়ে আৰক্ষীৰ ওচৰত কোনো ধৰণৰ অভিযোগ দিয়া নাই। এই ক্ষেত্ৰত আৰক্ষীয়ে তেওঁৰ সৈতে যোগাযোগ কৰাৰ পাছতো যুৱতীগৰাকীয়ে কোনো উত্তৰ দিয়া নাই বুলি শ্ৰীজৈনে প্ৰকাশ কৰে। তেঁও লগতে সংগীতানুষ্ঠানৰ আয়োজক বুক মাই শ্ব'তো যুৱতীগৰাকীয়ে কোনো অভিযোগ দাখিল কৰা নাই বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে যুৱতীগৰাকীয়ে এই সন্দৰ্ভত কোনো অভিযোগ দাখিল কৰিলে আৰক্ষীয়ে তেওঁকসহায় কৰিবলৈ সাজু আছে।

০০০০

মঙলদৈ মহাবিদ্যালয়ত আজি আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱস উপলক্ষে ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত **শিশুৰ অধিকাৰ - সুৰক্ষা আৰু যত্ন বিষয়ক** এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। শিশু অধিকাৰ কৰ্মী তথা আকাশবাণীৰ সংবাদদাতা ময়ুখ গোস্বামী সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁ শিশু সুৰক্ষাৰ আইনী ব্যৱস্থাৱলী, সামাজিক আৰু নৈতিক দিশসমূহৰ লগতে শিশুৰ বাবে সুৰক্ষিত পৰিবেশ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সামুহিক দায়বদ্ধতাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**